**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-APR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

রাজ্যৰ মুখ্য সচিব ডঃ ৰবি কোটাই কালি গুৱাহাটীৰ বান পৰিস্থিতিৰ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। মহানগৰীৰ ভালেমান অঞ্চলত ১২২ মিলিমিটাৰ পৰ্যন্ত বৰষুণ হোৱাৰ ফলত কিছু অঞ্চল এতিয়াও জলমগ্ন হৈ আছে। পৰ্যালোচনা বৈঠকত ৰাজ্যৰ মুখ্য সচিবগৰাকীয়ে ভাৰতীয় বতৰ বিজ্ঞান বিভাগ, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণক সময়ে সময়ে আগলি বতৰা জনসাধাৰণক অৱগত কৰিবলৈ নিৰ্দেশ দিয়ে। জনসাধাৰণে আগতীয়াকৈ সাৱধানতা অৱলম্বন কৰিব পৰাৰ সুবিধা হোৱাকৈ ৰাজ্যৰ মুখ্য সচিবগৰাকীয়ে এই বিভাগকেইটাক এই নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষক জলমগ্ন হোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ অঞ্চলসমূহৰ নলা-নৰ্দমাসমূহ সময়মতে পৰিস্কাৰ কৰিবলৈ নিৰ্দেশ দিয়ে। বৰষুণৰ ফলত সৃষ্টি হোৱা জটিল পৰিস্থিতিৰ মুখামুখি হোৱাৰ বাবে গুৱাহাটী পৌৰ নিগম, গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ আৰু জলসম্পদ বিভাগক ২৪ ঘণ্টাই সাজু হৈ থাকিবলৈ নিৰ্দেশ দিয়া হয়। লোক নিৰ্মাণ বিভাগক জলমগ্ন ঠাইসমূহৰ নৰ্দমাসমূহ পৰিস্কাৰ হৈ থকাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ মহানগৰৰ সকলো নলা-নৰ্দমা নিৰ্ধাৰিত সময়ৰ ভিতৰত পৰিস্কাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। পৰ্যালোচনা বৈঠকতে ৰাজ্যৰ মুখ্য সচিবগৰাকীয়ে মালিগাঁৱৰ মেনহলত পৰি মৃত্যু হোৱা মহিলাগৰাকীৰ বাবে ন্যায়িক তদন্ত ঘোষণা কৰে। মুখ্যসচিবগৰাকীয়ে লগতে মহানগৰীৰ অঞ্চলসমূহত স্বাভাৱিক জীৱন যাত্ৰা ঘূৰাই অনাৰ বাবে সংশ্লিষ্ট বিভাগসমূহক তাৎক্ষণিকভাৱে কাম কৰিবলৈ নিৰ্দেশ দিয়ে। একেখন বৈঠকতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জাৰি কৰা আগলি বতৰা অনুসৰি সকলো বিভাগ তথা কৰ্তৃপক্ষক বান সদৃশ পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

আজি অসামৰিক সেৱা দিৱস। দেশৰ প্ৰশাসন কাৰ্যক সুচাৰুৰূপে পৰিচালনা কৰা চৰকাৰী বিষয়াসকলৰ কৰ্মৰাজিক সন্মান জনাবলৈ প্ৰতিবছৰে ২১ এপ্ৰিলৰ দিনটো অসামৰিক সেৱা দিৱস পালন কৰি অহা হৈছে। ১৯৪৭ চনৰ আজিৰ দিনটোতে স্বাধীন ভাৰতৰ প্ৰথমগৰাকী গৃহমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলে দিল্লীৰ মেটকাফ হাউচত প্ৰশাসনিক বিষয়াসকলক সম্বোধন কৰিছিল। সেই দিনটোক স্মৰণ কৰিয়েই ২০০৬ চনৰ পৰা প্ৰতি বছৰে এই দিৱস পালন কৰি অহা হৈছে।

অষ্টাদশ অসামৰিক সেৱা দিৱস উপলক্ষে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি নতুন দিল্লীত এখন সভাত ভাষণ দিব। এই অনুষ্ঠানটো কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন মন্ত্ৰালয়ৰ অধীনৰ প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ বিভাগে আয়োজন কৰিব। এই বছৰৰ এই দিৱসৰ মূল বিষয় হৈছে- **বিকশিত ভাৰত ঃ নাগৰিক কেন্দ্ৰীক প্ৰশাসন আৰু প্ৰান্তীয় অঞ্চলত বাস কৰা লোকৰ উন্নয়ন সাধন**। কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিং, লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰী জিতন ৰাম মাঝি, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডা, কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানেও এই অনুষ্ঠানত বক্তৃতা দিব।

০০০০০০

যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে কালি যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালক আৰু বালিকা বিদ্যালয় দুখনত স্থাপন কৰা ষ্ট্ৰংৰুমসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত তেওঁ মৰিয়নী, যোৰহাট, তিতাবৰ

আৰু টীয়ক বিধানসভা সমষ্টিৰ নিৰ্বাচনী ষ্ট্ৰংৰূমসমূহৰ কাম-কাজ তদাৰক কৰাৰ লগতে ইয়াৰ নিৰাপত্তা আৰু কাৰিকৰী প্ৰস্তুতিৰ বুজ লয়। জিলা আয়ুক্তগৰাকীয়ে ষ্ট্ৰংৰূমৰ সুৰক্ষা ব্যৱস্থাৰ লগতে আনুষংগিক সকলো দিশ পৰ্যালোচনা কৰে। নিৰ্বাচনৰ পৰৱৰ্তী পৰ্যায়ৰ প্ৰক্ৰিয়াসমূহ যাতে কোনো ক্ৰুটি নোহোৱাকৈ সুকলমে সম্পন্ন হৈ তাৰ বাবে জিলা প্ৰশাসনে যাৱতীয় সকলো গ্ৰহণ কৰিছে।

০০০০০০

ধেমাজি জিলাৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান মৰিচল মহাবিদ্যালয়ক বিশ্ববিদ্যালয় অনুদান আয়োগ চমুকৈ ইউ জি চি এ স্বায়ত্বশাসিত মহাবিদ্যালয়ৰ স্বীকৃতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে, ১৯৮৮ চনত প্ৰতিষ্ঠিত মহাবিদ্যালয়খনে জিলাখনৰ প্ৰথমখন স্বায়ত্ব শাসিত মহাবিদ্যালয়ৰ স্বীকৃতি লাভ কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগে ২০২৬-২৭ শিক্ষাবৰ্ষৰ পৰা পৰৱৰ্তী ১০ বছৰলৈ স্বায়ত্ব শাসিত মহাবিদ্যালয়ৰ স্বীকৃতি প্ৰদান কৰিছে।

০০০০০০

অগ্নিসেৱা সপ্তাহ ২০২৬ উপলক্ষে শিৱসাগৰ জিলাৰ আমগুৰি অগ্নি আৰু আপাতকালীন সেৱা আস্থানৰ উদ্যোগত কালি আমগুৰি ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অগ্নি সুৰক্ষাৰ বিষয়ে মকড্ৰিল তথা সজাগতা অভিযান অনুষ্ঠিত হয়। এই কাৰ্যসূচীত চাৰি শতাধিক লোকে অংশগ্ৰহণ কৰে।

০০০০০০

ৰাজ্যত পুৱাৰ ভাগত মৃদু ভূমিকম্পৰ জোঁকাৰণি অনুভূত হয়। পুৱা পাঁচ বাজি ৫৯ মিনিটত অনুভূত হোৱা ভূমিকম্পৰ প্ৰাবল্য ৰিখটাৰ স্কেলত ৫ দশমিক ২। মণিপুৰৰ কামজঙত ভূমিকম্পৰ অভিকেন্দ্ৰ। বৰ্তমানলৈকে ক্ষয়-ক্ষতিৰ তথ্য জানিব পৰা হোৱা নাই।

০০০০০০

**সমাপ্ত**